# আদিপুস্তকৰ পৰা প্ৰকাশিত বাক্য লৈকে পিতৃ ঈশ্বৰৰ হৃদয়ৰ মাত

# পিতৃৰ প্ৰেম পত্ৰ

প্ৰিয় সন্তান,

তুমি মোক নাজানা, কিন্তু মই তোমাৰ বিষয়ে জানো, গীত ১৩৯:১। মই তোমাৰ বহা আৰু উঠা জানো, গীত ১৩৯:২। মই তোমাৰ সকলো পথ চিনি পাইছো, গীত ১৩৯:৩। তোমাৰ মূৰৰ আটাইবোৰ চুলিও গণা হৈছে, মথি ১০:৩০। কিয়নো তোমাক মোৰ প্ৰতি-মূৰ্তিৰে সৃস্টি কৰা হৈছিল, আদি ১:২৭। কিয়নো তুমি মোত জীছাঁ, লৰিছাঁ আৰু আছাঁ, পাঁছনি ১৭:২৮। কিয়নো তুমি মোৰ সন্তান, পাঁছনি ১৭:২৮। উদৰত তোমাক নিৰ্মাণ কৰাৰ পূৰ্ব্বেই মই তোমাক জানিলোঁ, যিৰিমিয়া ১:৫। তোমাৰ নিৰ্মাণত কোনো দুৰ্ঘটনা নাই, গীত ১৩৯:১৫-১৬। তোমাৰ সকলো দিনবোৰ মোৰ বহীত লিখা আছে, গীত ১৩৯:১। মই তোমাৰ জন্ম আৰু নিবাসৰ সীমা থিৰ কৰিলো, পাঁচনি ১৭:২৬। কিয়নো মই তোমাক ভয়ানক আৰু অদ্ভুতৰূপে নিৰ্মাণ কৰিলো, গীত ১৩৯:১৪। মই তোমাক তোমাৰ মাতৃৰ গৰ্ভতে গঠন কৰিলো, গীত ১৩৯:১৩। তোমাৰ জন্ম দিনত মই তোমাক এই পৃথিৱীত আনিলো, গীত ৭১:৬। যিবিলাকে মোক চিনি নাপালে তেওঁবিলাকে মোৰ মিছা সাক্ষ্য দিলে, যোহন ৮:৪১-৪৪। মই নিজে প্ৰেম আৰু সেই প্ৰেম তোমাত প্ৰকাশ কৰিলো, ১ যোহন ৪:১৬। মোৰ এই ইচ্ছা যে সেই প্ৰেম তোমাক দান কৰো, ১ যোহন ৩:১। মই পৃথিৱীৰ পিতৃতকৈ অধিক ভাল বস্তু তোমাক দিম, মথি ৭:১১। কিয়নো মই তোমাৰ সিদ্ধ পিতৃ হওঁ, মথি ৫:৪৮। সকলো উতম দান আৰু সকলো সিদ্ধ বৰ মোৰ পৰাহে হয়, যাকোব ১:১৭। মই তোমাৰ সকলো অভাৱ পূৰ্ণ কৰিম, মথি ৬:৩১-৩৩। মই কৰা সকলো সঙ্কল্প তোমাৰ বিষয়ে মঙ্গলৰ হব, যিৰিময়া ২৯:১১। সচাকৈ মই চিৰস্হায়ী প্ৰেমেৰে তোমাক প্ৰেম কৰো, যিৰি ৩১:৩। মোৰ  সঙ্কল্পবোৰ তোমালৈ কেনে বহুমূল্য সেইবোৰ বালিতকৈয়ো অধিক হয়, গীত ১৩৯:১৭-১৮। তোমাৰ মঙ্গল কৰিবলৈ মই কেতিয়াও পাহৰি নাযাম, যিৰি ৩২:৪০। কিয়নো তুমি মোৰ বিশেষ স্বত্ব থকা ধন হয়, যাত্ৰা ১৯:৫। নিশ্চয়ে সমস্ত মনেৰে ও সমস্ত প্ৰাণেৰে মই তোমাক এই দেখত থম, যিৰি ৩২:৪১। মই তোমাক অসিম আৰু অগম্য কথা জনাম, যিৰি ৩৩:৩। তুমি যদি সকলো মনেৰে আৰু সকলো প্ৰাণেৰে মোক বিচাৰ কৰা তেহে পাবা, দ্বিতীয় বিব ৪:২৯। যীচুত মোৰ প্ৰেম তোমাৰ ওপৰত প্ৰকাশ হল, যোহন ১৭:২৬। তেওঁ মোৰ প্ৰতাপৰ প্ৰতিবিম্ব আৰু তত্বৰ ছাব হয়, ইব্ৰী ১:৩। তেওঁ দেখুৱাবলৈ আহিছিল যে মই তোমাৰ বিপক্ষ নহয় কিন্তু সপক্ষ, ৰোমীয়া ৮:৩১। এই কথা কবলৈ যে তোমাৰ অপৰাধ লিখা নাই, ২ কৰি ৫:১৮-১৯। তোমাৰ আৰু মোৰ মিলনৰ অৰ্থে যীচু মৰিল, ২ কৰি ৫:১৮-১৯। তোমাৰ প্ৰেমক পাবৰ বাবে মই সকলো বস্ত ত্যাগ  দিলো, ৰোমীয়া ৮:৩২। যদি তুমি পুত্ৰক স্বীকাৰ কৰা তেন্তে মোক স্বীকাৰ কৰিলা, ১ যোহন ২:২৩। কোনো সৃস্ট বস্তুৱেই তোমাক মোৰ প্ৰেমৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰে, ৰোমীয়া ৮:৩৮-৩৯। ঘৰ ওভতি আহা সৰগত মই তোমাৰ কাৰনে এটি ভোজ পাতিম, লূক ১৫:৭। মই পুৰ্বৰে পৰা পিতৃ আছো আৰু সদাকাললৈকে পিতৃ থাকিম, ইফি ৩:১৪-১৫। তুমি মোৰ সন্তান হবানে? এই মোৰ প্ৰশ্ন, যোহন ১:১২-১৩। মই তোমাৰ অপেক্ষা কৰি আছো, লূক ১৫:১১-৩২।

**...তোমাৰ প্ৰিয় পিতৃ**

**সৰ্বসক্তিমান ঈশ্বৰ**

©FathersLoveLetter.com/Assamese